# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত আজি দুপৰীয়া ২৪২গৰাকী যাত্ৰী কঢ়িয়াই লণ্ডন অভিমুখে উৰা মাৰিবলৈ লোৱা এয়াৰ ইণ্ডিয়াৰ ১৭১ বিমানখন উৰণৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হয়। অসমৰ্থিত বাতৰি অনুসৰি বিমানখনত থকা আৰোহীসকলৰ এজনো জীয়াই থকাৰ সম্ভাৱনা নাই। ১৬৯গৰাকী ভাৰতীয়, ৫৩গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক থকা বিমানখনত গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীও আছিল। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। বিমানখন গুজৰাট অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ এটা নিবাসৰ ওপৰত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কেইবাগৰাকীও চিকিৎসক গুৰুতৰভাবে আঘাতপ্ৰাপ্ত হোৱাৰ উপৰি প্ৰাণহানি হোৱাৰো আশংকা কৰা হৈছে। ঘটনা সংঘটিত হোৱাৰ পাছতে অগ্নিনিৰ্বাপন বাহিনী, আৰক্ষী আৰু দুৰ্যোগ সঁহাৰি বাহিনী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। গুৰুতৰভাবে আহতসকলক ততালিকে সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে অসম চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা, পদ্ম বিভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক আজি প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড° মানসিঙক ২০২৩ বৰ্ষৰ এই বঁটা প্ৰদান কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপাল শ্ৰী আচাৰ্যই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক আলোকদ্ৰষ্টা আৰু সাংস্কৃতিক সংস্কাৰক বুলি উল্লেখ কৰি তেওঁৰ মহানকৰ্মই ভৌগোলিক সীমা অতিক্ৰম কৰি ৰাষ্ট্ৰীয় একতাৰ নিৰ্দশন হিচাপে পৰিগণিত হৈছিল বুলি উল্লেখ কৰে। অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে সামাজিক সমতা স্থাপন আৰু কলা, সংগীত, নাট তথা দৰ্শনেৰে ৰাজ্যখনৰ সাংস্কৃতিক পৰিচয় গঢ় দিয়াত মহাপুৰুষজনাই উল্লেখনীয় ভূমিকা লৈছিল বুলি শ্ৰী আচাৰ্যই উল্লেখ কৰে। অসম চৰকাৰে এই বঁটা প্ৰদানৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপক তেওঁ প্ৰশংসা কৰে। এই বঁটা ড° সোনাল মানসিঙৰ ভাৰতীয় ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি গ্ৰহণ কৰা জীৱনজোৰা প্ৰচেষ্টালৈ আগবঢ়োৱা সন্মান বুলিও তেওঁ উল্লেখ কৰে। নতুন প্ৰজন্মক এই গৰাকী শিল্পীৰ কেইবা দশকজোৰা সাধনাৰে উৎসাহিত হ'বলৈ তেওঁ আহ্বান জনায়।

অনুষ্ঠানত উপস্থিত থাকি বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সাধনা, প্ৰচাৰ আৰু প্ৰসাৰত অগ্ৰণী ভূমিকা লোৱা ড° সোনাল মানসিঙে সামাজিক দায়বদ্ধতাও পালন কৰি আহিছে বুলি উল্লেখ কৰে। এই বঁটা তেওঁৰ অনন্য প্ৰতিভাৰ প্ৰতি প্ৰকৃতি সন্মান আৰু স্বীকৃতি বুলি তেওঁ উল্লেখ কৰে।

বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণ, সামাজিক ন্যায় আৰু পৰিৱেশ সচেতনতাৰে নিদৰ্শন দাঙি ধৰা তথা কলাক অনবদ্য মানলৈ উন্নীত কৰা প্ৰসিদ্ধ নৃত্য শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰি অসমবাসী গৌৰৱান্বিত বুলি মন্তব্য কৰে। অসংখ্য ভাৰতীয়ৰ প্ৰেৰণাৰ স্ৰোতস্বৰূপ তেওঁ জীৱন আৰু নৃত্য সাধনাই সমাজ জীৱনক উদ্ভাসিত কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এই অনুষ্ঠানতে ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ তথা ভক্তিবাদৰ মাধ্যমেৰে সামাজিক আৰু গণতান্ত্ৰিক প্ৰমূল্য প্ৰোথিত কৰাৰ প্ৰচেষ্টাৰ বিষয়েও আলোকপাত কৰে।

অনুষ্ঠানত পদ্ম ভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে মহাপুৰুষজনাৰ জন্মভূমি লখিমপুৰৰ লেটেকুপুখুৰীত আজি পুৱাৰে পৰা নাম প্ৰসংগ, ঘোষা কীৰ্তন, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন ধৰ্মীয় কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

সত্ৰনগৰী **মাজুলীতো** কমলাবাৰী, বেঙেনাআটী, চামগুৰি ইত্যাদি সত্ৰসমূহত পৰম্পৰাগত সত্ৰীয়া নিয়মত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে।

**যোৰহাট** জিলাতো গুৰুজনাই প্ৰতিষ্ঠা কৰা ঢেকীয়াখোৱা বৰনামঘৰত পুৱা ঊষা কীৰ্তন আৰু ভাগৱত যাত্ৰাৰে গুৰুজনাৰ জয়ন্তী কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ লগতে বৰনামঘৰ চৌহদত ধৰ্মালোচনা সভা আৰু নৈমিত্তিক প্ৰসংগৰ আয়োজন কৰা হয়। অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰী আৰু বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তিসকলকো গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে আয়োজিত সভাত সম্বৰ্ধনা জনোৱা হয়।

**বিশ্বনাথ জিলাত** শংকৰদেৱ সংঘৰ আঞ্চলিক নামঘৰ প্ৰাংগণতো গুৰুজনাৰ জয়ন্তী দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, গছপুলি ৰোপণ, ধৰ্মধ্বজা উত্তোলন কৰাৰ লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

সমাপ্ত